**নং ঃ ৭১৩/২০২০**

বানপানীৰ সময়ত বন্যাৰ্তৰ আশ্ৰয়ৰ বাবে পোন প্ৰথমবাৰৰ বাবে ৰাজ্য চৰকাৰৰ ব্যতিক্ৰমী পদক্ষেপ

# লখিমপুৰ জিলাৰ বিহপুৰীয়াৰ ধুনাগুৰি-বাহগড়াত বহুমুখী বান আশ্ৰয় গৃহ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

## বনপুৰৈ-জামুগুৰিঘাটৰ খহনীয়া প্ৰতিৰোধৰ বাবে চাৰে দহ কোটি টকা ব্যয় সাপেক্ষে ৰাজ্য চৰকাৰে প্ৰস্তুত কৰিছে এক প্ৰকল্প

**দিছপুৰ, ৩০ অক্টোবৰ ঃ** ৰাজ্যখনৰ বন্যাক্ৰান্তসকলে বানপানীৰ সময়ত সন্মুখীন হোৱা দুখ-দুৰ্দশা লাঘৱ কৰাৰ উদ্দেশ্যৰে ৰাজ্য চৰকাৰৰ উদ্যোগত প্ৰথমবাৰৰ বাবে বহুমুখী বান আশ্ৰয় গৃহ নিৰ্মাণৰ আধাৰশিলা মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বিহপুৰীয়াৰ বানপ্ৰৱণ ধুনাগুৰি-বাহগড়াত স্থাপন কৰে। ৰাজ্য চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ উদ্যোগত তথা লোক নিৰ্মাণ (গৃহ) বিভাগৰ দ্বাৰা এই প্ৰকল্প ৰূপায়ণ কৰা হ'ব। উল্লেখ্য যে ২.৫১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই বান আশ্ৰয় গৃহ জি প্লাছ-২ আকৃতিৰ হ'ব। চলিত বিত্তীয় বৰ্ষত বিহপুৰীয়াৰ উপৰি মাজুলীৰ কৰতিপাৰ, বৰপেটা জিলাৰ মন্দিয়াৰ কনৰা গাঁৱত এনেধৰণৰ আশ্ৰয়গৃহ স্থাপন কৰাৰ উপৰি আগন্তুক বিত্তীয় বৰ্ষত ধেমাজি, বিশ্বনাথ আৰু কাছাৰ জিলাত এনেধৰণৰ বহুমুখী বান আশ্ৰয় গৃহ নিৰ্মাণ কৰা হ'ব। এই প্ৰতিটো বহুমুখী বান আশ্ৰয় গৃহৰ প্ৰতিখন মজিয়া ৫ হাজাৰ বৰ্গফুটৰ হোৱাৰ উপৰি ইয়াত অবিৰতভাৱে বিদ্যুৎ যোগান ধৰাৰ বাবে জেনেৰেটৰ ছেট তথা সৌৰশক্তিৰ ব্যৱস্থা থাকিব। এই আশ্ৰয় গৃহসমূহত বানপানীৰ সময়ত হেলিকপ্টাৰেৰে খাদ্য যোগানৰ ব্যৱস্থা ৰখাৰ উপৰি পশুধনৰো আশ্ৰয়ৰ ব্যৱস্থা থাকিব। ৰাজ্যখনৰ অন্যান্য বানপ্ৰৱণ এলেকাতো চৰকাৰে এনেধৰণৰ আশ্ৰয় গৃহ নিৰ্মাণৰ ব্যৱস্থা ল'ব। বানপানীৰ সময়ত এই বহুমুখী আশ্ৰয়গৃহ বানপীড়িতসকলৰ বাবে আশ্ৰয়স্থলী হোৱাৰ উপৰি অন্যান্য সময়ত এই বহুমুখী আশ্ৰয়গৃহসমূহ বিভিন্ন সামাজিক আৰু সাংস্কৃতিক কাৰ্যসূচী আয়োজনৰ বাবে ব্যৱহৃত হ'ব।

বহুমুখী বান আশ্ৰয়গৃহৰ নিৰ্মাণ কাৰ্যৰ আধাৰশিলা স্থাপনৰ পিছত এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে ব্ৰহ্মপুত্ৰ, বৰাক তথা ইয়াৰ উপনৈসমূহকে ধৰি ৰাজ্যখনৰ ১৩৭ খন নদী-উপনদীয়ে প্ৰতিবছৰে বানপানী তথা গৰাখহনীয়াৰ সৃষ্টি কৰি জনসাধাৰণক দুৰ্ভোগ ভোগাই আহিছে। ১৯৫০ চনৰ ভূমিকম্পৰ পিছত ৰাজ্যখনৰ ভৌগোলিক গাঁথনিৰ পৰিৱৰ্তনৰ ফলশ্ৰুতিত ১৯৫১ চনৰ পৰাই অসমে ধাৰাবাহিকভাৱে বানপানী আৰু খহনীয়াৰ সমস্যাৰ দ্বাৰা আক্ৰান্ত হৈ আছিল যদিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে সন্মিলিতভাৱে এই বান আৰু গৰাখহনীয়াৰ সমস্যাৰ সমাধানৰ বাবে ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰিছে। স্বাধীনতাৰ পিছত

প্ৰথমবাৰৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিটি আয়োগৰ উপাধ্যক্ষৰ অধ্যক্ষতাত তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ প্ৰতিনিধিক লৈ ৰাষ্ট্ৰীয় পৰ্যায়ত এই সমস্যা সমাধানৰ দিশত পৰামৰ্শ প্ৰদানৰ বাবে এখন সমিতি গঠন কৰি দিছে। এই সমিতিখনে নৰ্থ ইষ্ট ৱাটাৰ মেনেজমেণ্ট অথ'ৰিটি গঠনৰ বাবে ইতিমধ্যে পৰামৰ্শ আগবঢ়াইছে। এই পদক্ষেপে ৰাজ্যখনৰ বান আৰু গৰাখহনীয়া সমস্যাৰ স্থায়ী আৰু বিজ্ঞানসন্মত সমাধানৰ পথ প্ৰশস্ত কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে পঞ্চদশ বিত্ত আয়োগে খহনীয়াক প্ৰাকৃতিক দুৰ্যোগ হিচাপে স্বীকৃতি প্ৰদান কৰাৰ ফলশ্ৰুতিত এতিয়া খহনীয়া প্ৰতিৰোধ আঁচনিৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰৰ পৰা অধিক পুঁজি লাভ কৰিব বুলিও কয়। পোন প্ৰথমবাৰৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে এই সমস্যাসমূহ সমাধানৰ বাবে ৰাষ্ট্ৰীয় দৃষ্টিভংগীৰে পদক্ষেপ গ্ৰহণ কৰিছে বুলিও তেওঁ কয়। তেওঁ নিজেও বানপ্ৰৱণ এলেকাত ডাঙৰ-দীঘল হৈ আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বানপানীৰ সময়ত জনসাধাৰণৰ লগতে পশুধনে কেনে ধৰণৰ দুখ-দুৰ্দশাৰ সন্মুখীন হ'ব লগা হয় সেইটো ভালদৰে হৃদয়ংগম কৰিব পাৰে বুলিও কয়। সেয়েহে ৰাজ্য চৰকাৰে বানপীড়িতসকলৰ বাবে এনেধৰণৰ বহুমুখী আশ্ৰয়গৃহ নিৰ্মাণৰ পদক্ষেপ লৈছে বুলিও তেওঁ কয়। পূৰ্বৰ চৰকাৰসমূহে এনেধৰণৰ ফলপ্ৰসূ ব্যৱস্থা লোৱা নাছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে খিলঞ্জীয়াৰ জাতি-মাটি-ভেটি তথা কৃষ্টি-সংস্কৃতি সুৰক্ষিত কৰাৰ বাবে বৰ্তমানৰ চৰকাৰখনে লোৱা দৃঢ় পদক্ষেপসমূহৰ কথাও উল্লেখ কৰে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে এক লাখৰো অধিক থলুৱা ভূমিহীন পৰিয়াললৈ মাটিৰ পট্টা প্ৰদান, ডিচেম্বৰৰ ভিতৰতে আৰু এক লাখ খিলঞ্জীয়া ভূমিহীন পৰিয়াললৈ মাটিৰ পট্টা তথা আবণ্টন পত্ৰ প্ৰদানৰ পদক্ষেপ, অসম দৰ্শন আঁচনিৰ জৰিয়তে কৃষ্টি-সংস্কৃতি ৰক্ষাৰ বাবে ৮ হাজাৰ নামঘৰলৈ অনুদান, সত্ৰসমূহলৈ বিশেষ অনুদান, ভাষা-সাহিত্য ৰক্ষাৰ বাবে অসম সাহিত্য সভাকে ধৰি প্ৰতিটো জনগোষ্ঠীয় সাহিত্য সভালৈ কৰ্পাচ ফাণ্ড গঠনৰ বাবে পুঁজি প্ৰদান ইত্যাদিৰ দৰে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে গ্ৰহণ কৰা বলিষ্ঠ পদক্ষেপসমূহৰ কথা উল্লেখ কৰে।

মুখ্যমন্ত্ৰীয়ে আজিৰ এই সভাতে বনপুৰৈ-জামুগুৰি ঘাটৰ খহনীয়া প্ৰতিৰোধৰ বাবে ৰাজ্য চৰকাৰে চাৰে দহ কোটি টকা ব্যয় সাপেক্ষ এক প্ৰকল্প প্ৰস্তুত কৰিছে বুলিও কয়। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ নৱ প্ৰজন্মক শিক্ষা, ক্ৰীড়া আৰু সংস্কৃতিৰ প্ৰতি ধাউতি বৃদ্ধি কৰাৰ পদক্ষেপ ল'বলৈও পিতৃ-মাতৃ, অভিভাৱক তথা শিক্ষক-শিক্ষয়িত্ৰীসকলক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে আজি আধাৰশিলা স্থাপন কৰা বহুমুখী বান আশ্ৰয়গৃহ নিৰ্মাণৰ দিশত সক্ৰিয় সহযোগিতা আগবঢ়াবলৈ স্থানীয় ডেকা শক্তিৰ লগতে সমূহ ৰাইজক আহ্বান জনায়। এই আঁচনি ৰূপায়ণৰ দিশত গুণগত মান যাতে অক্ষুণ্ণ থাকে তাৰ প্ৰতি চোকা দৃষ্টি ৰাখিবলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নৱ কুমাৰ দলেই বানে গৰকা এই অঞ্চলটোত এনেধৰণৰ বহুমুখী আশ্ৰয় গৃহ স্থাপনৰ পদক্ষেপ লোৱা বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে মুখ্যমন্ত্ৰী সোণোৱালৰ নেতৃত্বত ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ উত্তৰণৰ বাবে বহু সংখ্যক ফলপ্ৰসূ পদক্ষেপ লৈ আছে বুলি উল্লেখ কৰাৰ লগতে লখিমপুৰ জিলাতো সম্প্ৰতি বহুসংখ্যক আন্তঃগাঁথনিমূলক প্ৰকল্প ৰূপায়ণ কৰা হৈছে

বুলিও কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী যোগেন মহনে কয় যে বানপানীৰ সময়ত যাতে বানপীড়িতসকলে অস্বাস্থ্যকৰ পৰিৱেশত থকাৰ পৰা পৰিত্ৰাণ পায় সেই উদ্দেশ্যৰে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে এনেধৰণৰ শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে। এই প্ৰকল্পটো ১০ মাহৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলিও তেওঁ কয়। এই প্ৰকল্পক মুখ্যমন্ত্ৰীৰ সপোনৰ প্ৰকল্প বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে বিগত সময়ত ৰাজ্যখনৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে বানপীড়িতসকলৰ বাবে লোৱা ক্ষিপ্ৰ আৰু ফলপ্ৰসূ পদক্ষেপসমূহৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। বৰ্তমানৰ ৰাজ্য চৰকাৰে প্ৰশাসনিক পৰিকাঠামোৰ তৃণমূল পৰ্যায় শক্তিশালীকৰণৰ বাবে গাঁওবুঢ়াসকলৰ পাৰিতোষিক ৯ হাজাৰ টকালৈ বৃদ্ধি, তেওঁলোকলৈ স্মাৰ্ট ফোন প্ৰদান, ১ লাখৰ অধিক খিলঞ্জীয়া পৰিয়ালক ভূমিৰ পট্টা প্ৰদান, অৰুন্ধতী, অৰুণোদয়ৰ লেখীয়া আঁচনি ৰূপায়ণেৰে জনসাধাৰণৰ সৰ্বাংগীন বিকাশৰ দিশত নিষ্ঠা সহকাৰে কাম কৰি আহিছে বুলিও মন্ত্ৰীগৰাকীয়ে কয়।

বিহপুৰীয়া বিধানসভা সমষ্টিৰ বিধায়ক দেৱানন্দ হাজৰিকাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত সমষ্টিটোৰ প্ৰাক্তন বিধায়ক কেশৰাম বৰা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ আয়ুক্ত সচিব এম এছ মনিৱন্নন, জিলা উপায়ুক্ত ডাঃ জীৱন বি, আৰক্ষী অধীক্ষক লংনিট তেৰন, বিশিষ্ট সমাজকৰ্মী ফণীধৰ বৰুৱা, ড° অমিয় ভূঞাকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বঃভাঃ**
**৩০/১০/২০২০**